Total number of printed pages–7

**63/1 (SEM–4) GE4/DSC1D/**
**ASMHG4046/ASMRC4046**

**2025**

# ASSAMESE

Paper : ASMHG4046/ASMRC4046

***( Study on Culture of Assam )***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ
*(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'অভিজাত সংস্কৃতি'ৰ আন এটা নাম কি?

*(i)* মাৰ্গীয় সংস্কৃতি

*(ii)* জনজাতীয় সংস্কৃতি

*(iii)* ভৌতিক সংস্কৃতি

*(iv)* লোক সংস্কৃতি

(খ) 'অসমৰ লোক নাট্য পৰম্পৰা' গ্ৰন্থখনৰ ৰচক হ'ল

(i) নবীন চন্দ্ৰ শৰ্মা

(ii) লীলা গগৈ

(iii) শৈলেন ভৰালী

(iv) ৰাম গগৈ

(গ) তলৰ কোনবিধ অলংকাৰ বাহুত পিন্ধে?

(i) বিৰিমণি

(ii) বাজু

(iii) দেওমণি

(iv) ওপৰৰ এটাও নহয়

(ঘ) অসমীয়া লোক সংস্কৃতিৰ ভাগ কেইটা?

(i) দুটা

(ii) তিনিটা

(iii) চাৰিটা

(iv) ছয়টা



(ঙ) কালচাৰৰ (culture) প্ৰতিশব্দ ৰূপে কোন গৰাকী পণ্ডিতে 'কৃষ্টি' শব্দ ব্যৱহাৰ কৰিছিল?

(i) যোগেন্দ্ৰ চন্দ্ৰ ৰায় বিদ্যানিধি

(ii) টাইলাৰ

(iii) সুনীতি কুমাৰ চট্টোপাধ্যায়

(iv) মেক্‌লভাব

(চ) 'চমাংকান' উৎসৱ কোন জনজাতিৰ লোকে পালন কৰে?

(i) ৰাভা

(ii) গাৰো

(iii) বড়ো

(iv) কাৰ্বি

(ছ) ধাইনাম কোন শ্ৰেণীৰ লোকগীতৰ অন্তৰ্গত?

(i) ঝুনা বিষয়ক

(ii) কৰ্ম বিষয়ক

(iii) অনুষ্ঠানমূলক

(iv) আখ্যানমূলক

(জ) 'দখনা' কোন জনজাতিৰ তিৰোতাই পৰিধান কৰে?

(i) ৰাভা

(ii) কাৰ্বি

(iii) মিচিং

(iv) বড়ো

(ঝ) 'লোক স্থপতি বিদ্যা' লোক সংস্কৃতিৰ কোনটো ভাগত অন্তৰ্ভুক্ত কৰিব পাৰি?

(i) সামাজিক লোকপ্ৰথা বা লোকাচাৰ

(ii) ভৌতিক সংস্কৃতি

(iii) লোক পৰিবেশ্য কলা

(iv) মৌখিক লোকবিদ্যা

(ঞ) হেমফু কোন জনগোষ্ঠীৰ উপাস্য দেৱতা?

(i) কাৰ্বি

(ii) ৰাভা

(iii) বৰো

(iv) গাৰো



২। তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) দুবিধ বাঁহ-কেন্দ্ৰিক লোক উৎসৱৰ নাম লিখা।

(খ) দুবিধ অনুষ্ঠানমূলক গীতৰ নাম লিখা।

(গ) অন্ধবিশ্বাস বুলিলে কি বুজা?

(ঘ) প্ৰাচীন অসম সম্পৰ্কে জানিব পৰা দুখন প্ৰামাণ্য গ্ৰন্থৰ নাম লিখা।

(ঙ) সাধুকথাৰ দুটা বিশ্লেষতত্ত্ব উল্লেখ কৰা।

(চ) লোক সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(ছ) ৰাভা মহিলাই পৰিধান কৰা দুবিধ সাজপাৰৰ নাম লিখা।

৩। চমু টোকা লিখা ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) অসম নামৰ উৎপত্তি

(খ) জন্মৰ সৈতে থকা লোকাচাৰ

(গ) জিকিৰ আৰু জাৰী

(ঘ) খেৰাই পূজা

(ঙ) সাধুকথা আৰু ইয়াৰ শ্ৰেণীবিভাজন

(চ) মৃতশিল্প আৰু পোৰা মাটিৰ শিল্প

(ছ) লোক ঔষধ

(জ) সমাজ আৰু সংস্কৃতি

(ঝ) বাগৰুম্বা নৃত্য

(ঞ) লোকভাষা

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) আখ্যানমূলক লোকগীতক কেইটা ভাগত ভাগ কৰা হৈছে? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ লিখা।

(খ) ৰাভাসকলে পালন কৰা উৎসৱ পাৰ্বন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) 'অসমৰ লোকবাদ্য'—এই শিতানত এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) বহাগ বিহুৰ সৈতে থকা লোকাচাৰসমূহ আলোচনা কৰা।



৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) 'অসমৰ লোকনাট্য'—এই শিতানত এটা প্ৰবন্ধ যুগুত কৰা।

(খ) কাৰ্বি নাৰীয়ে পৰিধান কৰা সাজপাৰ আ-অলংকাৰ আৰু প্ৰসাধনৰ সামগ্ৰী সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) পুৰনি অসমৰ খেল-ধেমালি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

---